**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব

২। প্ৰধানমন্ত্ৰীয়ে আজি নতুন দিল্লীত অনুষ্ঠিত মুখ্যসচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলনত অধ্যক্ষতা কৰিব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব

৪। কংগ্ৰেছে একমাত্ৰ নিৰ্বাচনী লাভালাভৰ বাবে ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আইন ২০২৫ত মহাত্মা গান্ধীৰ নাম অন্তৰ্ভুক্ত কৰিছিল বুলি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে।

*আৰু*

৫। বিচিচিআইয়ে পুৰুষৰ ১৯ বছৰ অনুৰ্ধ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অনুষ্ঠিত মুখ্যসচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলনত অধ্যক্ষতা কৰিব। শ্ৰীমোদীয়ে কালি এই সন্মিলনৰ এখন বৈঠকত অধ্যক্ষতা কৰিছিল। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে সন্মিলনৰ সময়ছোৱাত তেওঁ প্ৰশাসন আৰু সংস্কাৰ বিষয়ক কেইবাখনো অন্তৰ্দৃষ্টি সম্পন্ন আলোচনাত অংশগ্ৰহণ কৰে।

তিনিদিনীয়াকৈ অনুষ্ঠিত এই সন্মিলন যোৱা শুকুৰবাৰে আৰম্ভ হৈছিল। সন্মিলনৰ যোগেৰে গাঁথনিগত দিশ আৰু আলোচনাৰ মাধ্যমেৰে ৰাষ্ট্ৰৰ উন্নয়নৰ বিষয়ত অগ্ৰাধিকাৰ দি কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত অংশীদাৰিত্ব শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে।

প্ৰধানমন্ত্ৰীৰ সমবায় ভিত্তিক সহযোগিতাৰ লক্ষ্যক গুৰুত্ব দি এই সন্মিলনে এখন মঞ্চ হিচাপে সেৱা আগবঢ়াইছে। যাৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যসমূহে সহযোগিতাৰে ভৱিষ্যতৰ সৰ্বাত্মক বিকাশৰ দিশত আৰু মানৱ পুঁজি গঠনৰ ক্ষেত্ৰত সংহত ৰূপৰেখাৰ এটা আৰ্হি প্ৰস্তুত কৰিব পাৰে। এই বৈঠকত **বিকশিত ভাৰতৰ বাবে মানৱ ৰাজধানী** বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে। যাৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যসমূহে অনুসৰণ কৰিবলগীয়া উত্তম পদ্ধতি আৰু কৌশলসমূহক সামৰি লোৱা হৈছে। এই বিষয়বস্তুৰ অধীনত শিশুৰ প্ৰাকপ্ৰাথমিক শিক্ষা, স্কুলীয়া শিক্ষা, দক্ষতা, উচ্চ শিক্ষা, ক্ৰীড়া আৰু সহপাঠ্যক্ৰমভিত্তিক কাৰ্যসূচীত গুৰুত্ব আৰোপ কৰা হৈছে। এই সন্মিলনত ছটা বিশেষ বিষয় সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি বিশেষ অধিৱেশন অনুষ্ঠিত হৈছে। ইয়াৰে ভিতৰত শাসন সুবিধা, দুৰ্যোগ প্ৰশমনত প্ৰযুক্তি, স্মাৰ্ট যোগান শৃংখল আৰু বজাৰ সংযোগকৰণৰ বাবে কৃষিৰ অংশীদাৰিত্ব, এখন ৰাজ্য, এটা বিশ্বমানৰ পৰ্যটন স্থান, আত্মনিৰ্ভৰ ভাৰত আৰু স্বদেশী আৰু বাঁও উগ্ৰবাদৰ ভৱিষ্যতৰ বাবে কৌশল আদি বিষয়সমূহত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰবাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰী শ্ৰী শ্বাহে একেদিনাই গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ-নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱ নিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব।

০০০০০০

কংগ্ৰেছে একমাত্ৰ নিৰ্বাচনী লাভালাভৰ বাবে ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আইন ২০২৫ত মহাত্মা গান্ধীৰ নাম অন্তৰ্ভুক্ত কৰিছিল বুলি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে অভিযোগ উত্থাপন কৰিছে। ভূপালত কালি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰীচৌহানে কয় যে কংগ্ৰেছ চৰকাৰৰ দিনত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আইন (এম জি এনৰেগা) দুৰ্নীতিৰ আন এটা নাম হৈ পৰিছিল। তেওঁ কয় যে কংগ্ৰেছ দলে বাৰে বাৰে এম জি এনৰেগাৰ বাজেট হ্ৰাস কৰিছিল। তেওঁ লগতে বিৰোধী দলটোৱে নিৰ্বাচনী মুনাফাৰ বাবে মহাত্মা গান্ধীৰ নাম ব্যৱহাৰ কৰি আহিছে বুলি অভিযোগ তোলে। মন্ত্ৰীগৰাকীয়ে কয় যে শ্ৰমিকসকলে যাতে পৰ্যাপ্ত কাম লাভ কৰে সেয়া নিশ্চিত কৰাৰ বাবে ১ লাখ ৫১ হাজাৰ কোটিৰো অধিক টকা আৱণ্টন কৰা হৈছে। তেওঁ কয় যে ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে গাঁৱসমূহৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে আৰু গ্ৰামীণ এলেকাত গাঁওপঞ্চায়তৰ জৰিয়তেই উন্নয়নমূলক সকলো কাম পৰিচালিত কৰা হ'ব। ইউপিএ চৰকাৰে এম জি

এনৰেগাৰ অধীনত মাত্ৰ ২ লাখ ১৩ হাজাৰ কোটি টকা ব্যয় কৰাৰ বিপৰীতে নৰেন্দ্ৰ মোদী চৰকাৰে ৮ লাখ ৫৩ হাজাৰ কোটি টকা ব্যয় কৰা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীচৌহানে কয় যে বিকশিত ভাৰত গ্ৰামীণ নিয়োগ আৰু জীৱিকা নিশ্চিতকৰণ অভিযান জি ৰাম জী আঁচনিৰ অধীনত সিদ্ধান্তসমূহ দিল্লীত নহয় বৰং গাঁও পৰ্যায়ত গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। তেওঁ কয় যে গাঁও পঞ্চায়ত সমূহে একেলগে বহি তেওঁলোকৰ উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰিব। আঁচনিখনৰ অধীনত নিশ্চিত কৰ্মদিন ১০০ ৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে নতুন আইনখনত নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম প্ৰদান নকৰিলে নিবনুৱা ভাট্টা প্ৰদানৰো ব্যৱস্থা আছে। মন্ত্ৰীগৰাকীয়ে কয় যে নতুন আইনখনৰ অধীনত স্বচ্ছ আৰু সময় নিৰ্ধাৰিত ধনাদায়, সম্পত্তিৰ সৃষ্টি আৰু জীৱিকাৰ সৈতে জড়িত কাৰ্যৰ মাধ্যমেৰে নিৰন্তৰ আয় সুনিশ্চিত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০

ম্যানমাৰত আজি সাধাৰণ নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হ'ব। তিনিটা পৰ্যায়ত হ'বলগীয়া এই নিৰ্বাচনত দ্বিতীয় পৰ্যায়ৰ বাবে ১১ জানুৱাৰীত, আৰু তৃতীয় পৰ্যায়ৰ বাবে ২৫ জানুৱাৰী ভোট গ্ৰহণ কৰা হ'ব। দেশখনত সামৰিক অভ্যুত্থানৰ বাবে নবেল বঁটা প্ৰাপক আং-চাং-ছ্যু কি চৰকাৰৰ পতনৰ পাঁচ বছৰ পাছত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছে। দেশখনৰ জনসাধাৰণে এই সামৰিক অভ্যুত্থানৰ ব্যাপক বিৰোধীতা কৰিছিল। আজি দেশখনৰ ৩৩০ৰ ভিতৰত ১২০ টা সমষ্টিত ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও ৫৬টা সমষ্টিত ভোটগ্ৰহণ বাতিল কৰা হৈছে। এইবাৰৰ নিৰ্বাচনত ৬টা দলে সকলো সমষ্টিতে প্ৰাৰ্থী থিয় কৰাইছে। নিৰ্বাচনত ম্যানমাৰৰ সংসদ নেচনেল লেজিষ্টলেচাৰৰ দুয়ো সদনৰ লগতে ৰাজ্যিক আৰু আঞ্চলিক বিধানসভাৰ ১১০০ৰো অধিক আসনৰ বাবে প্ৰায় ৫ হেজাৰ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আং- চাং-ছ্যু কি আৰু তেওঁৰ দলে নিৰ্বাচনত অংশগ্ৰহণ কৰা নাই।

ম্যানমাৰৰ সেনাবাহিনীয়ে ২০২০ চনৰ নিৰ্বাচনত ভোট দাতা পঞ্জীয়নৰ ক্ষেত্ৰত ব্যাপক অনিয়ম হোৱা বুলি অভিযোগ তুলি ২০২১ চনৰ ১ ফেব্ৰুৱাৰীত ক্ষমতা হস্তগত কৰিছিল।

০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বিচিচিআইয়ে ১৫ জানুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ জিম্বাব'ৱে আৰু নামিবিয়াত হ'বলগীয়া পুৰুষৰ ১৯ বছৰ অনুৰ্ধ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। সেই অনুসৰি আয়ুষ মহাত্ৰেক অধিনায়ক আৰু ৰিহান মালহোত্ৰাক উপঅধিনায়কৰ দায়িত্ব অৰ্পন কৰা হৈছে। বৈভৱ সূৰ্যবংশী, আৰন জৰ্জ আৰু অভিজ্ঞান কুণ্ডুকো দলত স্থান দিয়া হৈছে। ৫বাৰ প্ৰতিযোগিতাৰ খিতাপ দখল কৰা ভাৰত অহা ১৫ জানুৱাৰীত হ'বলগীয়া নিজৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মুখীন হ'ব।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টী-টুৱেণ্টী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি ৩-০ ফলাফলেৰে এই পাঁচখনীয়া শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা মঙলবাৰে এই একেটা স্থানতে অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত